## পৰিৱৰ্তন

আজিৰপৰা প্ৰায় ডেৰকুৰি বছৰ আগলৈকে আমাৰ গাঁওবোৰৰ অধিকাংশ মানুহৰ থকা ঘৰবোৰ আছিল খেৰ-বাঁহৰ, উৰুখা পঁজা। খেৰ-বাঁহৰ উৰুখা পঁজাবোৰ লাহে লাহে নাইকিয়া হৈ, বৰ্তমান অসমৰ প্ৰায় সকলো গাঁৱতে টিনপাতৰ পকা ঘৰে গাঁওবোৰৰ সৌন্দৰ্যবৰ্ধন কৰি আছে। গাঁৱলীয়া জীৱনত এয়া পৰিৱৰ্তনৰ প্ৰথমটো ঢাপ। কৃষিনিৰ্ভৰ গ্ৰাম্যজীৱনত আগতে ভাদ মাহৰপৰাই প্ৰায় নব্বৈ শতাংশ পৰিয়ালৰে ঘৰত খাবলৈ ভাত নাছিল। ভঁৰালত ধান থকা কেইঘৰৰ ওচৰত হাত পাতি নাইবা আঘোণমহীয়া এমোন ধানত ডেৰমোন বা দুমোন ধান আদায় দিয়াৰ চুক্তিত আনৰপৰা ধান ধাৰলৈ লৈ বহু পৰিয়ালে পেটৰ ভোক নিবাৰণ কৰিছিল। বহু পৰিয়াল এসাঁজ খাই দুসাঁজ লঘোনে আছিল। এতিয়া সেই দিন নাই। চৰকাৰী বিনামূলীয়া চাউলৰ কৃপাত কোনো মানুহেই ধান-চাউলৰ অভাৱত ভাতৰ ভোকত থাকিব নালাগে। এই যে ভোকৰ ভাতমুঠি অতি সামান্য মূল্যৰ বিনিময়তে ৰাইজে খাই থাকিবলৈ পাইছে, এইটো দুখীয়া মানুহৰ কাৰণে কম ডাঙৰ পৰিৱৰ্তন নহয়। খিলঞ্জীয়া খিতাপ লোৱা অসমৰ গাঁৱৰ প্ৰায়বোৰ মানুহে আজিকালি নিজে হাল-কোৰ বাই, ভুঁই ৰুই খেতি-বাতি কৰাৰ কথা পাহৰিয়েই থাকিল। হাল বাই খেতি কৰিবলৈ গাঁৱৰ মানুহৰ ঘৰত বলধ গৰু নাইকিয়া হ'ল। এইবোৰ আপদ কোনে পুহি ৰাখে বুলি সৰ পমুৱা বেপাৰীক বেচি দি আজৰি হ'ল। এতিয়া গাঁৱৰ পথাৰবোৰত হাল বোৱাৰেপৰা শস্য চপাই আনি গৃহস্থৰ ঘৰত দিয়ালৈকে খেতিৰ সকলো কাম কৰে পমুৱা শ্ৰমিকসকলে ভালেমান ধনৰ বিনিময়ত। নিজে একো কাম নকৰাৰ কাৰণে প্ৰায়ে খৰচ কৰা ধন নোলায় আৰু অসমীয়া মানুহে কয় যে খেতি কৰি কি লাভ, তাতকৈ মাটিখিনি বেচি, দোকানৰপৰা চাউল কিনি খোৱাই ভাল। এইটোও অসমীয়া মানুহৰ জীৱনলৈ অহা এটা ডাঙৰ পৰিৱৰ্তন নহয়নে? আমাৰ জাতীয় অস্তিত্ব এনেদৰেই লুপ্ত হ'ব পাৰে।

এইবাৰ চাওক—সাজপাৰৰ ক্ষেত্ৰত সাধাৰণ মানুহৰ, অসমীয়া মানুহৰ, বিশেষকৈ মহিলাসকলৰ মাজত কি ভীষণ পৰিৱৰ্তন আহিছে। অসমীয়া আদহীয়া-বুঢ়া মানুহে জেলাই-লাই হাফপেণ্ট এটা পিন্ধি, ঘৰে-বাহিৰে, দোকানে-বজাৰে টিঘিল-ঘিলাই ফুৰাৰ কথা একালত কোনোবাই ভাবিব পাৰিছিলনে? অসমীয়া জীয়ৰী-বোৱাৰীয়ে জিনছ-টপ পিন্ধি, স্কুটি-বাইক, চাৰিচকীয়া কাৰ আদি বাহন চলাই ৰাজপথ শুৱনি কৰাৰ কথা কোনোবাই কেতিয়াবা কল্পনা কৰিব পাৰিছিলনে?

এনেদৰেই অলেখ পৰিৱৰ্তন মানুহৰ মাজলৈ আহিছে আৰু আহি থাকিব। ভাললৈ হওক বা কাললৈ হওক, এনেকৈ পৰিৱৰ্তন নিজৰ গতিত আহিয়েই থাকিব। পৰিৱৰ্তনৰ জোৱাৰ-ভাটাত উটি নোযোৱাকৈ স্বকীয় পৰিচয় ৰক্ষা কৰি থাকিব পৰাটোহে এতিয়া সময়ৰ আহ্বান।

**নৰেন কলিতা,**
পছুকটা গাঁও, চামগুৰি, নগাঁও,
ফোন ঃ ৮৪৭৪০৯১৫৩৩

## একৈছ চনৰ সংকল্প

২০২১ চনৰ নিৰ্বাচনলৈ প্ৰায় সাত মাহ সময় আছে। এই সমাগত নিৰ্বাচনত ৰাজনৈতিক সচেতনতাৰ পৰিচয় দিয়াৰ সুযোগ আহিছে। অসমক মনে-প্ৰাণে ভালপোৱা অসমৰ ভোটাৰসকলে ৰাজনৈতিক সচেতনতাৰ পৰিচয় দি অকৰ্মণ্য, দুৰ্নীতিপৰায়ণ, মিথ্যাচাৰী প্ৰাৰ্থী আৰু দলক এই সুযোগতে বিতাড়ন কৰাৰ সুযোগ গ্ৰহণ কৰক আৰু এই কাম কৰি দেখুউৱাৰ সংকল্প লওক। অলেখ কামৰ চিন্তা-চৰ্চা এৰি বলিষ্ঠ জাতীয়তাবাদী চেতনাৰ উদগীৰণ দেখুৱাব পাৰিলেহে ৰাষ্ট্ৰীয়তাবাদী পৰিমণ্ডলৰ ৰাজনীতিত খিলঞ্জীয়া ভূমিপুত্ৰসকলৰ সমস্যাবোৰে অগ্ৰাধিকাৰ পাব।

সংকল্প ল'ব পাৰিবনে? সমূহীয়া ইতিবাচক চিন্তাধাৰা থাকিলে নোৱৰাৰ কোনো কাৰণ নাই।

**ভুবন চন্দ্ৰ বড়া,**
গেলাপুখুৰী পথ, তিনিচুকীয়া-৭৮৬১২৫,
ফোন ঃ ৬০০২৯৭৩০৮০

## সৌন্দৰ্য

মই খীণ। তাক লৈ মোৰ কোনো সমস্যা নাই। একো অসুবিধাও হোৱা নাই তাৰ বাবে। কিন্তু আনৰ মূৰৰ কামোৰণি হয় কেতিয়াবা। কিছু মানুহ লগ পালেই হ'ল। "খোৱা-বোৱা নকৰা নেকি হে?", "ইমান খীণাইছা যে?", "দেখিবলৈ কেনেকুৱাটো যে হৈছা!" এনে মন্তব্য দিয়ে। অথচ তেওঁলোকে ভবাৰ দৰে মোৰ একো হোৱা নাই। মই হাঁহি-স্ফূৰ্তিৰেই থাকোঁ। মানুহ কিছুমানো যে আছে আৰু! কিছুমান নহয় সমাজৰ অধিকাংশ মানুহেই তেনেকুৱা। শৰীৰটো কেনেকুৱা, মুখখন কেনেকুৱা, কাপোৰ-কানি কেনে পিন্ধিছে সেইবোৰতহে চকু। মানুহবোৰে যে কিমান অদৰকাৰী বস্তু নিজে সৃষ্টি কৰি সেইবোৰত সময় আৰু টকা অপচয় কৰি আছে ভাবিলে আচৰিত লাগে। চিন্তা-ভাবনাবোৰৰ ক্ষেত্ৰতো একে। একাংশই এক নিৰ্দিষ্ট শাৰীৰিক গঢ়ক সুন্দৰ বুলি ভাবি প্ৰচাৰ চলায়, এচামে তাত সাৰ-পানী দিয়ে আৰু সেয়াই হৈ পৰে সকলোৰে গ্ৰহণযোগ্য। তাৰ বাহিৰবোৰ হৈ পৰে সমাজৰ আপচু ব্যক্তি। লাগিলে তেওঁলোক প্ৰতিভাশালী বা উচ্চশিক্ষিতই হওক, সুন্দৰ ব্যৱহাৰৰ মাৰ্জিত কথা-বতৰাৰ লোকেই হওক। বাহ্যিকতাক আমি ইমানেই গুৰুত্ব দিওঁ যে আন্তৰিক বিমল সৌন্দৰ্যৰ দীৰ্ঘস্থায়ী অনুভৱক ওচৰ চাপিবই দিব নোখোজোঁ। যাৰ ফলত নিজেও অশান্তি পোৱাৰ লগতে আনলৈও অশান্তি বিয়পাই দিওঁ। আচলতে প্ৰতিজন মানুহেই একক আৰু অদ্বিতীয়। যেনেকুৱাই নহওক আমি সকলোকে আন্তৰিক সন্মানেৰে গ্ৰহণ কৰা উচিত আৰু ব্যক্তিত্বক গুৰুত্ব দিব লাগে। আমি নিজেও বাহ্যিক সৌন্দৰ্যতকৈ আন্তৰিক গুণবোৰ উন্নত কৰাত গুৰুত্ব দিব লাগে। অৱশ্যে চাফ-চিকুণ হৈ সাজি-কাচি থকাটো সকলোৰে কৰ্তব্য। তাত অৱহেলা কৰিলেও নহ'ব। মাৰ্জিত ব্যৱহাৰ আৰু সুন্দৰ কথা-বতৰাৰে, মুখত লাগি থকা মিঠা হাঁহিৰেহে মানুহে মানুহক বেছিকৈ আকৰ্ষণ কৰে। বাহ্যিক সৌন্দৰ্য ক্ষণস্থায়ী।

**মানবেন্দ্ৰ ডেকা,**
কলিয়াপানী চাহ বাগিচা, ডাক ঃ কলিয়াপানী,
নাহৰকটীয়া, ডিব্ৰুগড়-৭৮৬৬১০,
ফোন ঃ ৮৪৭৩৮৭৩৫৭১

## গুৰুজনাৰ সৃষ্টি নামঘৰত বেৰ নাই কিয়?

পৃথিৱীৰ প্ৰায় সকলো ধৰ্মৰে উপাসনাৰ নিৰ্দিষ্ট ঠাই থাকে। যেনে—হিন্দুৰ মন্দিৰ, খ্ৰিষ্টানৰ গিৰ্জা, ইছলামৰ মছজিদ ইত্যাদি। প্ৰতিটো ধৰ্মৰে ঈশ্বৰ উপাসনাৰ ঠাইখিনি চাৰিবেৰৰ মাজত আবদ্ধ কৰি ৰাখে। কিন্তু আমাৰ গুৰুজনাই প্ৰায় পাঁচশ বছৰৰ আগতে নামঘৰ প্ৰতিষ্ঠা কৰি ঈশ্বৰ উপাসনাৰ ব্যৱস্থা কৰিছিল। এই স্থানখিনিত চাৰিওফালে বেৰৰ ব্যৱস্থা নকৰিলে কিয়? গুৰুজনাই প্ৰতিষ্ঠা কৰা নামঘৰতকৈ অন্য ধৰ্মৰ উপাসনাৰ স্থানবোৰ বহু হাজাৰ বছৰ পুৰণি তথাপি তাৰ আদৰ্শ নল'লে কিয়?

এই প্ৰশ্নৰ উত্তৰ সাধাৰণ দৃষ্টিত এনেকৈও কয় যে যিহেতু নামঘৰত নৃত্য-গীত, ভাওনা আদি পতা হয়, যাতে দৰ্শকে চাৰিওফালৰপৰা চাই উপভোগ কৰিব পাৰে। সেই কাৰণে নামঘৰত বেৰ দিয়াৰ ব্যৱস্থা নকৰিলে। এইটো জানিবলৈ টান লাগে। ইয়াৰ নিশ্চয় এটা আধ্যাত্মিক দিশ আছে। যিটো আমাৰ নিচিনা সাধাৰণ মানুহে বুজিবলৈ অসুবিধা হয়। ইয়াৰ তাত্ত্বিক দিশটো জনা মানুহেহে ক'ব পাৰিব।

**সৰ্বাই পণ্ডিত,**
চতিয়া, ফোন ঃ ৭৮৯৬৮৭৪৯৪২